CAREERINDIA

# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ___________________________

   (Name) ____________________________

2. (Signature) ___________________________

   (Name) ____________________________

OMR Sheet No. : .............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.________________________________
(In words)

**D 3 6 1 4**

Time : $1\,^1/_4$ hours] [Maximum Marks : **100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** Ⓐ Ⓑ ● Ⓓ
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न-पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**

www.careerindia.com

# ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(50) পঞ্চাছ** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক **দুই (2)** । উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰা । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

**1.** 'মঞি দুৰাচাৰ কেৰলে তোমাৰ

অপৰাধী নাৰায়ণ ।'

ওপৰত উল্লেখ কৰা পদফাঁকি কোন ছন্দত ৰচিত ?

(A) ছবি  (B) দুলড়ী

(C) লেছাৰি  (D) পয়াৰ

**2.** "আমাৰ চকুৰ আশাৰ নেজাল তৰা

এই জ্বলে এই মৰে

বালিমাহীৰ ময়ূৰ চালিত

ৰুদ্ধ পৰাণত সাত সাগৰৰ বান নামে ।"

ওপৰৰ কবিতাফাঁকিৰ কবি কোন ?

(A) নৱকান্ত বৰুৱা  (B) হেম বৰুৱা

(C) অজিৎ বৰুৱা  (D) বীৰেশ্বৰ বৰুৱা

**3.** "নদী কিনাৰে কানু

বজাই শিঙা বেণু

শুন শুন সখী

কে তকে ডাকে নাম ধৰি ।"

উক্ত গীতফাঁকি কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত ?

(A) মিচিং জনগোষ্ঠী  (B) চাহ জনগোষ্ঠী

(C) ডিমাছা জনগোষ্ঠী  (D) হাজং জনগোষ্ঠী

4. বৌদ্ধ গান আৰু দোহাসমূহ কোন পন্থৰ ধৰ্ম সাধনৰ গীত ?

(A) হীনযান (B) মহাযান

(C) সহজযান (D) বজ্রযান

5. শঙ্কৰদেৱৰ ‘জয় জয় মল্ল নৃপতি ৰসজান’ গীতটি কোন প্ৰকাৰ ভটিমাৰ অন্তৰ্গত ?

(A) গুৰু ভটিমা (B) দেৱ ভটিমা

(C) ৰাজ ভটিমা (D) নাট ভটিমা

6. পাখি নহোঁ তাৰ ঠাই পৰি যাওঁ ।

মেদিনী বিদাৰি দিয়া পশিআ লুকাওঁ ।।

ওপৰৰ উদ্ধৃতিটি তলৰ কোনখন পুথিত পোৱা যায় ?

(A) শ্ৰীকৃষ্ণ কীৰ্তন (B) কীৰ্তন

(C) চৰ্যাপদ (D) শূণ্যপুৰাণ

7. তলত দিয়া কাব্যকেইখনৰ মাজৰ পৰা শঙ্কৰদেৱে লিখা কাব্যখন চিনাক্ত কৰা -

(A) ৰাজসূয় কাব্য (B) ভক্তি ৰত্নাৱলী

(C) অনাদি পাতন (D) জন্ম ৰহস্য

8. ‘মৃগাৱতী চৰিত্ৰ’ গ্ৰন্থখনৰ লেখক জন –

(A) দ্বিজ ৰমানন্দ (B) দ্বিজ বৈদ্যনাথ

(C) দ্বিজ বিশ্বেশ্বৰ (D) দ্বিজ ৰাম

9. ‘অতপৰে আহিলা লাহৰী

তোমালৈকে আছো বাট চাই’

– উদ্ধৃত কবিতাফাঁকিৰ কবিজনৰ নাম -

(A) দেৱকান্ত বৰুৱা (B) গণেশ গগৈ

(C) যতীন্দ্ৰনাথ দুৱৰা (D) ৰত্নকান্ত বৰকাকতী

10. হোমেন বৰগোহাঞিৰ প্ৰথম প্ৰকাশিত উপন্যাসখন –

(A) তান্ত্ৰিক (B) তিমিৰ তীৰ্থ

(C) পিতাপুত্ৰ (D) সুবালা

তলৰ **11**-ৰ পৰা **20**-লৈ থকা প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ প্ৰসঙ্গ দিয়া আছে আৰু উত্তৰ স্বৰূপে সেই প্ৰসঙ্গসমূহৰ পৰা চাৰিটা বিকল্প (A), (B), (C), (D) দিয়া আছে । শুদ্ধ উত্তৰটো বাছি উলিওৱা :

**11.** তলত দিয়া উৎসৱ সমূহৰ ভিতৰত কৃষিৰ লগত জড়িত উৎসৱ দুটা হ'ল –

i. নেপালীসকলৰ 'তীজ' উৎসৱ

ii. কাৰ্বিসকলৰ 'হাচা কেকান' উৎসৱ

iii. তিৱাসকলৰ 'চগ্ৰা মিচাবা' উৎসৱ

iv. চাহ জনগোষ্ঠীৰ 'চুলহা' উৎসৱ (পূজা)

(A) ii আৰু iii　　(B) i আৰু iv

(C) iii আৰু iv　　(D) i আৰু iii

**12.** একেধাৰে উপন্যাস আৰু লোক সংস্কৃতিৰ গৱেষণাত সিদ্ধ হস্ত দুজন লেখক :

i. বিৰিঞ্চি কুমাৰ বৰুৱা

ii. নবীনচন্দ্ৰ শৰ্মা

iii. প্ৰফুল্ল দত্ত গোস্বামী

iv. প্ৰবীণ চন্দ্ৰ দাস

(A) i আৰু iii　　(B) ii আৰু iv

(C) iii আৰু iv　　(D) i আৰু iv

**13.** তলৰ কোন দুখন গ্ৰন্থ একেজন লেখকৰ -

i. নৰকাসুৰ

ii. শকুনিৰ-প্ৰতিশোধ

iii. অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি

iv. মঞ্চলেখা

(A) i আৰু iv　　(B) ii আৰু iii

(C) iii আৰু iv　　(D) i আৰু ii

**14.** তলৰ কোন দুবিধ অলংকাৰ কাণত পিন্ধে –

i. থুৰিয়া

ii. দুগদুগী

iii. মাদলি

iv. কুণ্ডল

(A) i আৰু ii　　(B) i আৰু iv

(C) ii আৰু iii　　(D) iii আৰু iv

**15.** তলত উল্লেখ কৰা সাহিত্য অকাডেমি বঁটা বিজয়ী দুজন লেখক হ'ল -

i. নগেন শইকীয়া

ii. মহেন্দ্ৰ বৰা

iii. অৰুণ শৰ্মা

iv. হিতেশ ডেকা

(A) i আৰু iii (B) i আৰু ii

(C) ii আৰু iv (D) iii আৰু iv

**16.** একেধাৰে ঔপন্যাসিক আৰু কবিৰূপে খ্যাত দুজন অসমীয়া লেখক :

i. নৱকান্ত বৰুৱা

ii. ভবেন্দ্ৰনাথ শইকীয়া

iii. কৰবী ডেকা হাজৰিকা

iv. হীৰেন ভট্টাচাৰ্য

(A) ii আৰু iv (B) iii আৰু iv

(C) i আৰু ii (D) i আৰু iii

**17.** তলৰ কোন দুখন গ্ৰন্থ উপেন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা প্ৰণীত –

i. Structure of Assamese

ii. A Study on Kamrupi : A Dialect of Assamese

iii. Studies in Sino-Tibetan languages

iv. An Introduction to Assamese

(A) ii আৰু iv (B) i আৰু ii

(C) iii আৰু iv (D) i আৰু iii

**18.** তলৰ কোন দুখন কবিতাপুথি একেজন ৰচকৰ -

i. সূৰ্য হেনো নামি আহে এই নদীয়েদি

ii. কোনোবা শীতৰ এটি বগা সন্ধিয়াত

iii. ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে

iv. নীলা ধুতুৰাৰ ফুল

(A) i আৰু ii (B) i আৰু iii

(C) ii আৰু iv (D) iii আৰু iv

CAREERINDIA

**19.** তলৰ কোন দুটা নিৰ্দিষ্টতাবাচক প্ৰত্যয় নহয় –

i. জোপা

ii. অনী

iii. থোপা

iv. চেৰেক

(A) ii আৰু iv
(B) i আৰু ii
(C) iii আৰু iv
(D) ii আৰু iii

**20.** তলৰ কোন দুটা শব্দ ধ্বন্যাত্মক শব্দ নহয় –

i. গুণ্‌গুণনি

ii. কাবৌকোকালি

iii. চিক্‌মিকনি

iv. দপ্‌দপনি

(A) i আৰু ii
(B) iii আৰু iv
(C) ii আৰু iii
(D) i আৰু iv

তলৰ **21**-ৰ পৰা **30**-লৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

**21.** ‘কবিতাৰ অনুবাদৰ ক্ষেত্ৰত অধিক জটিলতাৰ সৃষ্টি হয় আধুনিক কৱিতাৰ বাবে’ । কাৰণ

(A) আধুনিক কবিতাৰ ভাষা অত্যন্ত জটিল ।

(B) আধুনিক কবিতাত পশ্চিমীয়া প্ৰভাৱ অধিক ।

(C) আধুনিক কবিতাত প্ৰতীক আৰু চিত্ৰকল্প ব্যৱহাৰৰ আধিক্যৰ বাবে ।

(D) আধুনিক কবিতা বিভিন্ন দেশ, কাল আৰু পৰিস্থিতিৰ বাৰ্তা বাহক হোৱাৰ বাবে ।

**22.** জগজন জীৱন অজন জনাৰ্দ্দন
দনুজ দমন দুখহাৰী ।
মহদানন্দ কন্দ পৰমানন্দ
নন্দ নন্দন বনচাৰী ।।

(A) এটা বা অধিক ব্যঞ্জনবৰ্ণ দুবাৰতকৈ বেছি উল্লেখ আছে বাবে ই বৃত্তানুপ্ৰাস অলংকাৰ ।

(B) আগত যি ব্যঞ্জন আছে পাছতো তেনে ব্যঞ্জন থকাৰ বাবে বৃত্তানুপ্ৰাস অলংকাৰ বোলা হৈছে

(C) শেষ আখৰৰ মিল থকাৰ বাবে বৃত্তানুপ্ৰাস অলংকাৰ বোলা হৈছে ।

(D) বৃত্তৰ দৰে বাৰে বাৰে ব্যঞ্জনবৰ্ণসমূহ ব্যৱহাৰ হোৱা বাবে বৃত্তানুপ্ৰাস অলংকাৰ বোলা হৈছে ।

23. ‘জিলিকা পাখিৰে হাঁহে / ৰবিৰ কিৰণ
জিলিকা পাখিৰে নাচি / ফুৰে অগণন’ ।।

(A) প্ৰতি আঠোটা আখৰ আৰু ছটা আখৰত শেষৰ আখৰৰ মিল আছে ।
(B) ইয়াৰ দুয়োটা শাৰীতে বেলেগ বেলেগ ভাবৰ যতি পৰিছে ।
(C) প্ৰতিটো শাৰীত ৮ + ৬ আখৰ আছে । যতিৰ সংখ্যা মুঠতে চাৰিটা ।
(D) ইয়াত আঠোটা আৰু ছটা আখৰত ভাবৰ যতি পৰিছে ।

24. অসমীয়া নিৰ্দিষ্টতাবাচক সৰ্গসমূহক বিভক্তিমূলক প্ৰত্যয়ৰ শাৰীত ধৰা হৈছে । কাৰণ

(A) নিৰ্দিষ্টতাবাচক সৰ্গসমূহ বিশেষ্য আৰু বিশেষণৰ পাছত যোগ কৰা হয় ।
(B) নিৰ্দিষ্টতাবাচক সৰ্গবোৰৰ সংযোগে শব্দৰ শ্ৰেণী পৰিৱৰ্তন নঘটায় ।
(C) নিৰ্দিষ্টতাবাচক সৰ্গবোৰে নতুন শব্দ সাধন নকৰে ।
(D) নিৰ্দিষ্টতাবাচক সৰ্গবোৰে নতুন শব্দ সাধন কৰে ।

25. গমন, চলন, খাৱন, শোৱন আদি শব্দবোৰৰ সাধন প্ৰক্ৰিয়াক বিসমবৰ্গীয় শব্দ সাধন বোলা হৈছে । কাৰণ –

(A) √গম্, √চল্, √খা আৰু √শো ধাতুৰ লগত - অন কৃৎপ্ৰত্যয় সংযোগ ঘটি বিশেষ্য শব্দ গঠন হৈছে ।
(B) √গম্, √চল্, √খা আৰু √শো ধাতুৰ লগত - অন প্ৰত্যয়ৰ সংযোগ ঘটিছে ।
(C) √গম্, √চল্, √খা আৰু √শো ধাতুৰ লগত - অন তদ্ধিত প্ৰত্যয় লগ লাগিছে ।
(D) √গম্, √চল্, √খা আৰু √শো ধাতুৰ লগত - অন প্ৰত্যয় সংযোগ ঘটি নতুন বিশেষণ শব্দ গঠন হৈছে ।

26. বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে – ‘মৰং বা ডেকাচাং তিব্বত বৰ্মীভাষীৰ সামাজিক জীৱনৰ অপৰিহাৰ্য অনুষ্ঠান’ । কিয়নো –

(A) মৰং বা ডেকাচাঙত বুঢ়া ডেকাই মিলি ভোজ ভাত খায় ।
(B) ডেকাসকলে মৰং ঘৰত থাকি মুকলি মনেৰে ৰং ধেমালি কৰিব পাৰে ।
(C) ডেকাসকলৰ মাজত সামাজিক সম্প্ৰীতি আৰু সম্ভাৱ গঢ় লৈ উঠাৰ বাবে ।
(D) ডেকাসকলৰ শৰীৰ চৰ্চাৰ বাবে ।

27. অসমৰ সংস্কৃতি ভাৰতীয় আৰ্যমুখী হ’লেও ইয়াৰ দীঘে বাণিয়ে মংগোলীয় উপাদান উপচি আছে । কিয়নো –

(A) অসমৰ সংস্কৃতিত মংগোলীয় সংস্কৃতিৰ উপাদান আছে ।
(B) মংগোলীয় সংস্কৃতিত ভাৰতীয় আৰ্য-সংস্কৃতিৰ প্ৰভাৱ বিদ্যমান ।
(C) অসমৰ জনসংখ্যা অধিকাংশই হ’ল মংগোলীয় জন সমষ্টিৰ অন্তৰ্ভূক্ত ।
(D) অসমৰ সংস্কৃতি ভাৰতীয় আৰ্যসংস্কৃতি আৰু মংগোলীয় সংস্কৃতিৰ মিশ্ৰিত ৰূপ ।

**28.** ‘অৰুণোদয় যুগৰ পৰা অসমীয়া সাহিত্য প্ৰচেষ্টা আলোচনীক সাৰথি কৰি চলিবলৈ ধৰে ।’ কাৰণ –

(A) ‘অৰুনোদই’ কাকতে অসমীয়া আলোচনীৰ বাট মোকলাই দিলে ।

(B) ‘অৰুনোদই’ৰ কাকতৰ পাছতে ‘জোনাকী’ আলোচনীৰ জন্ম হয় ।

(C) অৰুণোদয় যুগৰ পৰা আধুনিক অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ বাট মুকলি হ’ল ।

(D) অৰুণোদয় যুগৰ পৰা অসমীয়া সাহিত্য আলোচনী কেন্দ্ৰিক হৈ পৰিল ।

**29.** প্ৰেমতো নহয় দেহ, নহয় আত্মাৰ নিচুকনি,
দেহৰ সীমাৰে পোৱা অবাধ আকাশ চেতনাৰ
অনন্ত আকাশ আহি কোঁচ খাই ধৰা এটি দেহ ।

(A) কবিতাফাঁকিত দেহ আৰু আত্মাৰ লগত প্ৰেমৰ কোনো সম্পৰ্ক নাই বুলি কোৱা হৈছে, তাতেই কবিতাটোৰ মহত্ত্ব ।

(B) কবিতাফাঁকিৰ ঘাই বক্তব্য হ’ল দেহৰ ক্ষুদ্ৰতা আৰু তুচ্ছতা ।

(C) কবিতাফাঁকিত দেহ আৰু আত্মাৰ উপলব্ধিতকৈ অধিক বিশাল গৰিমাৰে প্ৰেমক চিত্ৰিত কৰা হৈছে ।

(D) কবিতাফাঁকিৰ মহত্ত্ব হ’ল আকাশৰ লগত দেহ আৰু আত্মাৰ তুলনাত্মক ব্যঞ্জনা ।

**30.** অসমৰ জনগোষ্ঠীসমূহৰ সমস্যাসমূহৰ সাৰ্থক সমাধানৰ পথ হ’ল –

(A) জনগোষ্ঠীসমূহৰ মাজত ঐক্য, মিলন আৰু সহযোগিতা সুনিশ্চিত কৰিব লাগিব ।

(B) জনগোষ্ঠীসমূহৰ মাজত গণতান্ত্ৰিক আৰু সমাজবাদী চিন্তাৰ প্ৰতিফলন ঘটাব লাগিব ।

(C) জনগোষ্ঠীসমূহৰ মাজত সামাজিক আৰু সাংস্কৃতিক মিলন ঘটাব লাগিব ।

(D) জনগোষ্ঠীসমূহৰ মাজত শ্ৰম কৰাৰ বাবে উৎসাহ জগাব লাগিব ।

তলৰ **31**-ৰ পৰা **35**-লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী / পুথি / লেখক / নৃগোষ্ঠী / ঘটনা আদিৰ সৈতে জড়িত উল্লেখযোগ্য সময় অনুসৰি ঐতিহাসিক ক্ৰমত তালিকাবদ্ধ কৰি (A), (B), (C) আৰু (D) চাৰিটা বিকল্প দিয়া হৈছে । তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ।

**31.** i. আনন্দৰাম ঢেকিয়াল ফুকন

ii. এ.কে. গাৰ্নী

iii. নাথান ব্ৰাউন

iv. মাইল্‌ছ ব্ৰন্‌ছন্

| | | | | |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | iii | iv | i | ii |
| (C) | i | ii | iii | iv |
| (D) | iii | i | ii | iii |

CAREERINDIA

**32.** i. বিজুলী

ii. বাঁহী

iii. জোনাকী

iv. জয়ন্তী

(A) iii iv ii i

(B) iv ii i iii

(C) iii i ii iv

(D) ii iii ii iv

**33.** i. নৰকান্ত বৰুৱা

ii. অমূল্য বৰুৱা

iii. হেম বৰুৱা

iv. ভবেন বৰুৱা

(A) i ii iii iv

(B) iii iv i ii

(C) iv iii ii i

(D) iii ii i iv

**34.** i. তুলনামূলক সাহিত্য আৰু অনুবাদ কলা

ii. পটভূমিকাত তুলনামূলক সাহিত্য

iii. তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ

iv. তুলনামূলক সাহিত্য : বিকাশ আৰু বিৱৰ্তন

(A) ii i iv iii

(B) iv iii ii i

(C) iii ii i iv

(D) iii iv ii i

**35.** i. The Evolution of Assamese script

ii. Inscriptions of Ancient Assam

iii. Development of script in Ancient Kamrupa

iv. A Descriptive Catalogue of Assamese Manuscripts.

(A) iv ii iii i

(B) i iv ii iii

(C) iv iii ii i

(D) iii i iv ii

CAREERINDIA

**36-**ৰ পৰা **45**-লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**36.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. অসমীয়া ভাষা আৰু সংস্কৃতি | i. তীৰ্থনাথ শৰ্মা |
| b. সাহিত্য বিদ্যা পৰিক্ৰমা | ii. উপেন্দ্ৰনাথ গোস্বামী |
| c. অসমীয়া ভাষাৰ ব্যাকৰণ | iii. মহেন্দ্ৰ বৰা |
| d. ৰমন্যাসবাদ | iv. বিৰিঞ্চি কুমাৰ বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | i | ii | iii |
| (B) | i | ii | iii | iv |
| (C) | iii | iv | i | ii |
| (D) | ii | iii | iv | i |

**37.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. মাধৱ কন্দলি | i. বব্ৰুবাহনৰ যুদ্ধ |
| b. হৰিবৰ বিপ্ৰ | ii. প্ৰহ্লাদ চৰিত্ৰ |
| c. হেম সৰস্বতী | iii. সাত্যকি প্ৰৱেশ |
| d. ৰুদ্ৰ কন্দলি | iv. ৰামায়ণ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | i | ii | iii |
| (C) | ii | iii | i | iv |
| (D) | iii | ii | iv | i |

**38.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. অসমীয়া নাট্য সাহিত্য | i. প্ৰফুল্ল দত্ত গোস্বামী |
| b. অসমীয়া জনসাহিত্য | ii. মহেশ্বৰ নেওগ |
| c. অসমীয়া গীতি-সাহিত্য | iii. সত্যেন্দ্ৰনাথ শৰ্মা |
| d. অসমীয়া ৰামায়ণ সাহিত্য | iv. উপেন্দ্ৰ চন্দ্ৰ লেখাৰু |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | ii | i |
| (C) | iii | i | ii | iv |
| (D) | ii | iv | i | iii |

www.careerindia.com

39. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | |
|---|---|
| a. কক্‌বৰক্ | i. অৰুণাচল |
| b. মেইতেই | ii. ত্ৰিপুৰা |
| c. চেৰদুকপেন | iii. মেঘালয় |
| d. খাচী | iv. মণিপুৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | ii | i |
| (C) | iii | i | iv | ii |
| (D) | ii | iv | i | iii |

40. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | |
|---|---|
| a. বড়ো | i. চকেৰয় |
| b. মিচিং | ii. চগ্ৰামিচাৱা |
| c. কাৰ্বি | iii. পৰাগ’ |
| d. তিৱা | iv. বৈচাগু |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | i | ii |
| (B) | i | ii | iii | iv |
| (C) | iii | iv | ii | i |
| (D) | ii | i | iv | iii |

41. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | |
|---|---|
| a. সৰ্বেশ্বৰ কটকী | i. বিশ্বলিপিৰ ভূমিকা |
| b. নাৰায়ণ দাস | ii. প্ৰাচ্য শাসনাৱলী |
| c. মহেশ্বৰ নেওগ | iii. অসমীয়া লিপি |
| d. উপেন্দ্ৰনাথ গোস্বামী | iv. প্ৰাচীন অসমীয়া লিপি |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | i | ii | iii |
| (C) | ii | iii | iv | i |
| (D) | iii | iv | i | ii |

42. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. বৰ্ষাৰ ঋতুক ভাল পাওঁ মই | i. তফজ্জুল আলি |
| b. বহুদিন বকুলৰ গোন্ধ পোৱা নাই | ii. পাৰ্বতিপ্ৰসাদ বৰুৱা |
| c. আজি ফাগুনৰ পুৱা বেলাতে | iii. কৰবী ডেকা হাজৰিকা |
| d. মই কোমল পুৱাৰ ৰ’দালি | iv. নিৰ্মল প্ৰভা বৰদলৈ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iv | i | iii |
| (C) | iv | i | ii | iii |
| (D) | iv | iii | ii | i |

43. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. মৃত্যুওতো এটা শিল্প | i. নৱকান্ত বৰুৱা |
| b. বন্দুকৰ শব্দত ৰাতি পুৱায়নে | ii. নীলমণি ফুকন |
| c. বুঢ়ী আইতাৰ কলিজাৰে গজে বন নহৰুৰ ফু’ল | iii. নিৰ্মল প্ৰভা বৰদলৈ |
| d. টোপনিতো তেওঁ মোক খেদি ফুৰিছিল | iv. হীৰেন ভট্টাচাৰ্য |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iii | i | iv | ii |
| (C) | ii | iv | i | iii |
| (D) | iv | iii | i | ii |

44. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. অসমীয়া ল’ৰাৰ ব্যাকৰণ | i. ৰমাকান্ত চৌধুৰী |
| b. অভিমন্যু বধ | ii. ভোলানাথ দাস |
| c. সীতাহৰণ কাব্য | iii. পদ্মাৱতী দেৱী ফুকননী |
| d. সুধৰ্মাৰ উপাখ্যান | iv. হেমচন্দ্ৰ বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | i | ii | iii |
| (B) | iv | ii | iii | i |
| (C) | ii | iii | iv | i |
| (D) | iii | ii | i | iv |

www.careerindia.com

CAREERINDIA

**45.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. দখনা | i. মিচিং |
| b. ৰিবিগাচেং | ii. খাচী |
| c. জেইনচেম | iii. কার্বি |
| d. পিনি | iv. বড়ো |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | i | ii | iii |
| (C) | i | iii | iv | ii |
| (D) | iii | iv | i | ii |

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া **46**ৰ পৰা **50** লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (A), (B), (C), (D) ৰ মাজৰ পৰা বাছি উলিওবা ।

বিশ্ব-সাহিত্য এই বিষয়টো সাম্প্ৰতিক কালত সাহিত্য-বিষয়ৰ আলোচনাত প্ৰসংগক্ৰমে ব্যৱহৃত হয় । শব্দটোৰ লগত আগতে পৰিচয় নাথাকিলে প্ৰশ্ন হ’ব পাৰে যে বিভিন্ন অঞ্চলৰ, বিভিন্ন ভাষাৰ, বিভিন্ন বিষয়ৰ, বিভিন্ন ধাৰাৰ সাহিত্যৰ দৰে বিশ্ব-সাহিত্যও এটা বেলেগ ধাৰা নেকি ? দৰাচলতে, বিশ্ব-সাহিত্য বুলি কোনো এক বেলেগ ধাৰাৰ সাহিত্য নাই । চমু কথাত ক’বলৈ গ’লে বিশ্বৰ বিভিন্ন দেশৰ, বিভিন্ন ভাষাৰ যিবোৰ সাহিত্য কালজয়ী আৰু মহৎ বুলি বিবেচিত হৈ আহিছে তেনে সাহিত্যক বিশ্ব-সাহিত্য ৰূপে চিনাকি কৰি দিয়াৰ এটা প্ৰয়াস যোৱা শতিকাৰ পৰা গঢ় লৈ উঠে । এনে সাহিত্যৰ ঘাই বৈশিষ্ট্য-স্বৰূপে দেখুওৱা হয় যে বিভিন্ন ভাষাৰ যিবোৰ সাহিত্য-কৰ্মই সেই ভাষাৰ বা দেশৰ সীমা অতিক্ৰম কৰি অন্য দেশৰ বা অন্য ভাষাৰ মানুহকো সমানে আকৰ্ষণ কৰি আহিছে বা সমানে আনন্দ দি আহিছে তেনেবোৰ সাহিত্য বিশ্বৰ সকলো মানুহৰ বাবে গ্ৰহণীয় সাহিত্যলৈ ৰূপান্তৰিত হৈছে । এনে সাহিত্য বিভিন্ন ভাষালৈ ৰূপান্তৰিত হৈও আহিছে । এনে সাহিত্য চিনাক্ত কৰাৰ ঘাই আধাৰ হ’ল ভাবৰ সাৰ্বজনীনতা, বিষয়ৰ গ্ৰহণযোগ্যতা, লক্ষ্যৰ মহত্ব আৰু উচ্চস্তৰৰ নান্দনিক মূল্য । এনে গুণ-সমন্বিত যিকোনো সাহিত্য, যিকোনো দেশৰ, যিকোনো ভাষাৰ, যিকোনো মানুহৰ বাবে সমানেই গুৰুত্বপূৰ্ণ আৰু আনন্দদায়ক হৈ উঠে । এতেকে, বিশ্ব-সাহিত্য ৰচিত হোৱাৰ কোনো বেলেগ দেশ নাই, ভাষা নাই, কোনো বেলেগ সময়ো নাই ।

CAREERINDIA

ভাৰতীয় আলংকাৰিকসকলে মানুহৰ স্থায়ী ভাব ন-টা বুলি দাঙি ধৰিছে । সেই ন-টা হ'ল অনুৰাগ, উৎসাহ, ভয়, সম, হাস্য, বিস্ময়, ক্রোধ, শোক আৰু ঘৃণা । এই ন-টা ভাব পৃথিৱীৰ সকলো কালৰ, সকলো দেশৰ, সকলো মানুহৰ আছে । এইকেইটা ভাব সাৰ্বজনীন বা বিশ্বজনীন । ভাৰতীয় আলংকাৰিকসকলে এই কথাও কৈছে যে মানুহৰ এই স্থায়ী ভাবসমূহ যেতিয়া সাহিত্য, সংগীত, চিত্ৰ, নৃত্য, বাদ্য, ভাস্কৰ্য্য, স্থাপত্যৰ মাজত পঞ্চজ্ঞানেন্দ্ৰিয়ই লাভ কৰা আনন্দৰ উৰ্দ্ধৰ মানসিক আনন্দ দিব পৰা ৰূপেৰে প্ৰকাশিত হয়, তেতিয়া সেই ভাব ৰসলৈ ৰূপান্তৰিত হয় । মানুহৰ স্থায়ী ভাববোৰ ৰসাশ্ৰয়ী নহয় । কিন্তু উল্লেখ কৰি অহা শিল্প বা সাহিত্যৰ মাজেদি মনত আনন্দ দিব পৰা ভাববোৰ ৰসাশ্ৰয়ী হৈ পৰে । মানুহে, মানুহৰ উগ্ৰ-ক্ৰোধ ভাল নাপায় । কিন্তু অভিনয়ত যেতিয়া কোনো এটা চৰিত্ৰৰ মাজেদি প্ৰকাশ কৰিবলগীয়া উগ্ৰ-ক্ৰোধ অভিনেতাগৰাকীয়ে অতিশয় স্বাভাৱিক ৰূপত প্ৰকাশ কৰে তেতিয়া আমি তাত আনন্দ পাওঁ আৰু ভাল পাওঁ । এই আনন্দ আমাৰ জ্ঞানেন্দ্ৰিয়সমূহে পোৱা দৈহিক আনন্দ নহয়, ই ইন্দ্ৰিয়াতীত বা দেহোত্তৰ মানসিক আনন্দ । এনে আনন্দ দিব পৰা সকলো শিল্প বা সাহিত্যই সকলো মানুহৰ বাবে আনন্দদায়ক হৈ পৰে । প্ৰসংগক্ৰমে উল্লেখযোগ্য যে মানুহৰ এনে ভাব-প্ৰকাশৰ মাধ্যম তিনিটা - শব্দ, সুৰ আৰু ৰেখা । শব্দৰে সাহিত্য সৃষ্টি হয়, সুৰেৰে গীত-বাদ্য আদি আৰু ৰেখাৰে চিত্ৰ, নৃত্য, ভাস্কৰ্য্য আৰু স্থাপত্য নিৰ্মিত হয় । এই কথাও মনত ৰাখিব লাগিব যে এই মাধ্যমসমূহ যিসকলে ভাব-প্ৰকাশৰ বাবে ব্যৱহাৰ কৰে সেই সকলৰো এটা মানসিক প্ৰস্তুতি লাগিব । অৰ্থাৎ ভাব এটা তাত পোনে পোনে ৰসযুক্ত কৰি তুলিব নোৱাৰি, তাৰ বাবে লেখক বা শিল্পীজনে সেই ভাবে সৃষ্টি কৰিব পৰা অনুভূতিৰ আলোড়ন নিজৰ মনত ঘটিলেহে তেওঁ তাক ৰসলৈ ৰূপান্তৰ কৰিব পাৰিব ।

**46.** বিশ্ব সাহিত্য কিয় গ্ৰহণীয় সাহিত্যলৈ ৰূপান্তৰিত হৈছে ?

(A) যিবোৰ সাহিত্য বিভিন্ন দেশ আৰু ভাষাত কালজয়ী হৈছে ।

(B) যিবোৰ সাহিত্যৰ যোগেদি বিশ্বক চিনাকি কৰি দিয়াৰ প্ৰয়াস কৰা হৈছে ।

(C) যিবোৰ সাহিত্য সকলো কালতে মহান ৰূপে স্বীকৃতি লাভ কৰিছে ।

(D) যিবোৰ সাহিত্যই সকলো কালতে জনপ্ৰিয়তা লাভ কৰিছে ।

**47.** বিশ্ব সাহিত্য চিনাক্ত কৰাৰ ঘাই আধাৰ কি ?

(A) যি সাহিত্যত ভাব আৰু বিষয় সকলোৰে বাবে সমানে গ্ৰহণযোগ্য আৰু যি সাহিত্য মহান ।

(B) যিবোৰ সাহিত্যৰ লক্ষ্য মহান আৰু ভাব সকলোৰে বাবে গুৰুত্বপূৰ্ণ ।

(C) যি সাহিত্যৰ বিষয়সমূহে আনন্দ দান কৰাৰ উপৰিও লক্ষ্যও মহানৰূপে স্বীকৃত হৈছে ।

(D) যিবোৰ সাহিত্যৰ উচ্চস্তৰৰ নান্দনিক মূল্য আছে ।

**48.** নটা ভাব কেনেদৰে ৰসলৈ পৰিণত হয় ?

(A) মানুহৰ অন্তৰত সঞ্চিত হৈ থকা ভাবসমূহৰ প্ৰকাশক সাহিত্যই যেতিয়া মানুহৰ মনত আনন্দৰ সৃষ্টি কৰে ।

(B) মানুহৰ অন্তৰত সঞ্চিত হৈ থকা ভাবসমূহে যেতিয়া বিভিন্ন কলাৰ মাজেদি প্ৰকাশিত হৈ মানসিক আনন্দ প্ৰদান কৰে ।

(C) বিভিন্ন কলা সঞ্চিত হৈ থকা নটা ভাবৰ জৰিয়তে যেতিয়া আনন্দ প্ৰদান কৰে ।

(D) মানুহৰ অন্তৰত সঞ্চিত হৈ থকা ভাৱসমূহে দৈহিক আনন্দ দিয়াৰ লগতে ইন্দ্ৰিয়াতীত বা দেহোত্তিক মানসিক আনন্দ যেতিয়া প্ৰদান কৰে ।

**49.** অভিনয়ে কেতিয়া আনন্দ দান কৰে ?

(A) অভিনেতাজন উগ্ৰ-ক্ৰোধ স্বভাৱৰ হ'লেও যেতিয়া স্বাভাৱিক ৰূপে দৰ্শকৰ আগত অভিনয় দাঙি ধৰে ।

(B) মানুহে উগ্ৰ-ক্ৰোধ ভাল নাপালেও, সেই ভাবক যেতিয়া স্বাভাৱিক ৰূপত অভিনেতাজনে অভিনয় কৰি দেখুৱায় ।

(C) উগ্ৰ-ক্ৰোধ স্বভাৱৰ ব্যক্তি এজনক অভিনয়ৰ জৰিয়তে স্বাভাৱিক ৰূপত তুলি ধৰে ।

(D) উগ্ৰ-ক্ৰোধ চৰিত্ৰৰ অভিনেতাজনে অভিনয় কৰোঁতে স্বাভাৱিক ৰূপত তেঁওৰ অভিনয়ৰ যোগেদি আনন্দ দান কৰে ।

**50.** লেখক বা শিল্পীজনে মনৰ ভাবক কেনেদৰে ৰসলৈ ৰূপান্তৰ কৰিব পাৰে ?

(A) লেখক বা শিল্পীজনৰ মনত সৃষ্টি হোৱা আবেগ-অনুভুতিয়ে যেতিয়া শিল্পীৰ মন আলোড়িত কৰে ।

(B) লেখক বা শিল্পীজনৰ নিজৰ ভাব ৰাশিয়ে মানুহৰ অন্তৰত আলোড়ন সৃষ্টি কৰিলে ।

(C) লেখক বা শিল্পীজনৰ ভাবৰ লগত শ্ৰোতা বা দৰ্শকৰ ভাব একীভূত হ'লে ।

(D) লেখক বা শিল্পীজনৰ ভাব অনুভুতিয়ে আনক আনন্দ দান কৰিব পাৰিলে ।

**Space For Rough Work**

www.careerindia.com